**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-05-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
***Headlines***

--------------------

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তথা ডিব্ৰুগড় জিলা প্ৰশাসন, সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন, সদৌ অসম মটক মহিলা পৰিষদ, সদৌ অসম মটক ছাত্ৰসন্থা, সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ সহযোগত আজি ২২৩ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। চাবুৱাৰ সূৰ্য্যোদয় সংঘৰ খেলপথাৰত দিনৰ ২ বজাত হ'বলগীয়া অনুষ্ঠানৰ কাৰ্যসূচীত মুখ্য অতিথিৰূপে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক পোনাকণ বৰুৱা আদি উপস্থিত থাকিব।

oooooo

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই কালি ধেমাজি, লখিমপুৰ আৰু মাজুলী জিলাত মিছন বসুন্ধৰা ৰূপায়ণ আৰু সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। তিনিওখন জিলাৰ প্ৰশাসনিক বিষয়াবৰ্গৰ সৈতে আলোচনা কৰি মন্ত্ৰীগৰাকীয়ে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ধেমাজী জিলা আয়ুক্ত কাৰ্যালয়ত জোনাইৰ বিধায়ক ভুবন পেগুৰ উপস্থিতিত বৈঠকত মিলিত হৈ মন্ত্ৰীগৰাকীয়ে সকলো দিশ পৰ্যালোচনা কৰে। তেওঁ মিছন বসুন্ধৰা ৰূপায়ণৰো খতিয়ান লয়।

লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বৈঠকত মন্ত্ৰীগৰাকীয়ে মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজহ বিভাগৰ গুৰুত্বপূৰ্ণ কাম-কাজৰ পৰ্যালোচনা কৰে। এই অভিযানৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰি দিয়া সময়সীমা অনুসৰি অৱশিষ্ট কামসমূহ সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। মন্ত্ৰী শ্ৰীমহন্তই সম্ভাব্য বান পৰিস্থিতিৰে ক্ষিপ্ৰতাৰে মোকাবিলা কৰি জনসাধাৰণক ততালিকে সকাহ দিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। বানৰ লগত মোকাবিলা কৰিব পৰাকৈ ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে সাজু বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে। তেওঁ কয়, যে ধেমাজিত ৩০ জনীয়া ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বিভাগৰ দল, ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী আৰু উদ্ধাৰকাৰ্যত ব্যৱহৃত নাও সম্পূৰ্ণৰূপে সাজু কৰি ৰখা হৈছে। বৈঠকত মাজুলী জিলাৰো সম্ভাব্য বান পৰিস্থিতিৰ প্ৰস্তুতি পৰ্যালোচনা কৰা হয়।

oooooo

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ প্ৰাৰম্ভিক পৰীক্ষা আজি অনুষ্ঠিত হৈছে। দেশৰ বিভিন্ন কেন্দ্ৰৰ লগতে গুৱাহাটীৰ মুঠ ২৬ টা কেন্দ্ৰত এই পৰীক্ষা অনুষ্ঠিত হৈছে। গুৱাহাটীৰ পৰীক্ষা কেন্দ্ৰসমূহত মুঠ ১০ হাজাৰ ৫৮৭ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছে। পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত কেতবোৰ নীতি নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষাকেন্দ্ৰৰ এশ মিটাৰ ব্যাসাৰ্ধৰ

ভিতৰত পৰীক্ষাৰ্থী, পৰীক্ষা পৰিচালনাৰ সৈতে জড়িত বিষয়া, আৰক্ষী আৰু চৰকাৰ অথবা জিলা আয়ুক্তৰ কৰ্তৃত্বপ্ৰাপ্ত লোকৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে।

০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোড আৰক্ষীয়ে জাগীৰোডৰ সমীপৰ কুইয়াদলৰ পৰা আজি ড্ৰাগছসহ এজন সৰবৰাহকাৰীক আটক কৰে। গুলজাৰ হুছেইন নামৰ সৰবৰাহকাৰীজনৰ পৰা আৰক্ষীয়ে ৬৫টা হেৰ'ইন ভৰ্তি কণ্টেইনাৰ জব্দ কৰে। ভদ্ৰেশ্বৰ পেগু নামৰ আৰক্ষী পৰিদৰ্শকজনৰ নেতৃত্বত এই অভিযান চলোৱা হৈছিল বুলি আকাশবাণীৰ মৰিগাঁৱৰ সংবাদদাতাই জনাইছে।

০০০০০০

অৰুণাচল প্ৰদেশৰ নামচাইত অসম আৰক্ষীয়ে অভিযান চলাই অস্ত্ৰ শস্ত্ৰ উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। কালি গ্ৰেপ্তাৰ কৰা আলফা স্বাধীনৰ এজন সদস্যৰ স্বীকাৰোক্তিৰ ভিত্তিত এই অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হৈছে। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা এম কীও অত্যাধুনিক ৰাইফল, তিনিটা মেগজিন আৰু ১২০ জাই গুলি উদ্ধাৰ কৰে। তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ দিলিপে অভিযান অব্যাহত ৰখা বুলি সদৰী কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত চেন্নাই ছুপাৰ কিংছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

প্ৰতিযোগিতাত যোৱানিশা জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ডেলহি কেপিটেলছে পাঞ্জাব কিংছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত পাঞ্জাৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি অধিনায়ক শ্ৰেয়াৰ্চ আয়াৰৰ ৫৩ আৰু মাৰ্কাচ ষ্টয়নিচৰ ৪৪ ৰানৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ২০৬ ৰান সংগ্ৰহ কৰে। ডেলহিৰ হৈ মুস্তাফিজুৰ ৰহমানে তিনিটা উইকেট দখল কৰে। ৱিপৰাজ নিগম আৰু কুলদীপ যাদৱে দুটাকৈ উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ১৯ অভাৰ আৰু তিনিটা বলত চাৰিটা উইকেট হেৰুৱাই ২০৮ ৰান সংগ্ৰহ কৰে। ডেলহিৰ হৈ সমীৰ ৰিজৰিয়ে ৫৮ ৰান কৰি আউট নোহোৱাকৈ থাকে। কৰুণ নায়াৰে ৪৪ আৰু কে এল ৰাহুলে ৩৫ ৰানৰ বৰঙণি আগবঢ়ায়। সমীৰ ৰিজৰিক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

সমাপ্ত